No. of Printed Pages : **4**

**FAS**

00426

# Foundation Course : ASSAMESE

## Term-End Examination

## June, 2010

## Course Code : FAS

*Time : 2 hours* *Maximum Marks : 50*

প্ৰশ্নবোৰ পঢ়ি উত্তৰ লিখক ঃ

### ক শাখা

**1.** তলৰ প্ৰশ্নবোৰৰ শুদ্ধ বিকল্পত শুদ্ধ চিন (√) দিয়ক ঃ **1x5=5**

(a) শঙ্কৰদেৱৰ সমসাময়িক বৈষ্ণৱ কবি আছিল

(i) মাধৱ কন্দলি

(ii) মাধৱদেৱ

(iii) অনিৰুদ্ধদেৱ

(b) ১৪ টা বেঙ্কৰ জাতীয়কৰণ কাৰ দিনত হৈছিল?

(i) জৱাহৰলাল নেহৰু

(ii) লালবাহাদুৰ শাস্ত্ৰী

(iii) ইন্দিৰা গান্ধী

(c) সময়ক কিহৰ লগত তুলনা কৰা হৈছে

(i) চকৰিৰ লগত

(ii) গতিৰ লগত

(iii) যন্ত্ৰৰ লগত

(d) প্ৰাচীন নলান্দা বিশ্ববিদ্যালয় সংস্কাৰ কৰিছিল

(i) গুপ্ত বংশৰ ৰজাসকলে

(ii) পাল বংশৰ ৰজাসকলে

(iii) সেন বংশৰ ৰজাসকলে

(e) ভাৰতত চিন্তা-চৰ্চা আৰম্ভ হৈছিল

(i) মহাকাব্যৰ দিনৰ পৰা

(ii) পুৰাণৰ দিনৰ পৰা

(iii) বেদৰ দিনৰ পৰা

2. সম্পূৰ্ণ বাক্যত উত্তৰ দিয়ক ঃ **1x5=5**

(a) কাৰ নিৰ্দেশত "আনন্দ লহৰী" চিত্ৰিত হৈছিল ?

(b) মিছনেৰীসকলে কিদৰে আখৰ জোঁটনি প্ৰৱৰ্তন কৰিছিল ?

(c) সমতাৰ অধিকাৰে কি কি বিষয় সামৰে ?

(d) ভাৰতবৰ্ষত ভাল ঘেঁহুৰ খেতি ক'ত ক'ত হয় ?

(e) বিহুৰ আগদিনাক কি বোলা হয় ?

3. 'মোনৰ মোহ' গল্পটোৰ সাৰাংশ লিখক। **5**

অথবা

ভাৰতবৰ্ষত বৰ্দ্ধিত জনসংখ্যাই সৃষ্টি কৰা সমস্যাসমূহৰ বিষয়ে লিখক।

4. সংক্ষেপে যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ দিয়ক ঃ **2x5=10**

(a) 'অসম' শব্দৰ উৎপত্তি কিদৰে হৈছে?

(b) কম্পিউটাৰ মানৱ সভ্যতাৰ কাৰণে সম্পদ নে অভিশাপ ?

(c) হুচৰি আৰু বিহুগীতৰ মাজত পাৰ্থক্য কি ?

(d) ঋক বৈদিক যুগত আৰ্যসকল কিহৰ উপাসক আছিল?

(e) মাটি মাহৰ প্ৰচলন কোন কোন ৰাজ্যত বেছি?

(f) ১৮৫৭ চনটো কি কাৰণে স্মৰণীয়?

(g) চিত্ৰলেখাই উষাক কিয় ভাগ্যৱতী বুলি কৈছে?

(h) নিৰ্বাণ আৰু মুক্তিৰ মাজত প্ৰভেদ কি?

(i) শঙ্কৰী কলা কি?

খ শাখা

5. বাচ্য কাক বোলে? উদাহৰণ দি ইয়াৰ ভেদসমূহ বুজাই লিখক? 5

অথবা

নিমিত্তাৰ্থক ক্ৰিয়া কাক বোলে? উদাহৰণ দি বুজাই লিখক।

6. যিকোনো পাঁচটাৰ বিপৰীত শব্দ লিখক ঃ 1x5=5

সাঁউসী, বিধৱা, অল্পায়ু, আদি, ঈশ্বৰ, অবনতি, জ্যেষ্ঠ, কটু।

অথবা

তলৰ বাক্যবোৰত থকা নিম্নৰেখ শব্দবোৰৰ সলনি একোটাকৈ প্ৰতিশব্দ (একে অৰ্থবাচক শব্দ) ব্যৱহাৰ কৰক ঃ

(a) ভাৰতীয় পৰিকল্পনাত কলা আৰু ধৰ্মৰ ওতঃপ্ৰোত সম্বন্ধ দেখা যায়।

(b) ১২ যা যাতিকাৰ পৰা ভাৰতত ৰাজপূত কলাই প্ৰসাৰতা লাভ কৰে।

(c) দুই এঠাইত ইয়াৰ তাৰতম্য দেখা যায়।

(d) অষ্টম যাতিকাৰ ভাৰতীয় চিত্ৰৰ কেতবোৰ লক্ষণ ইয়াত বিদ্যমান।

(e) সত্ৰ স্থাপনৰ গুৰিতে আছিল শ্ৰীমন্ত শঙ্কৰদেৱ।

7. নিজে পঢ়া এখন প্ৰিয় কিতাপৰ চমু পৰিচয় দিয়ক। 5

অথবা

ৰঙালী বিহুৰ বিষয়ে নিজৰ বন্ধু/বান্ধৱীক চিঠি এখন লিখক।

8. পৰিবেশ প্ৰদূষণৰ বিষয়ে এখন ৰচনা লিখক । 10

অথবা

নিজে কৰা এক মনোৰম ভ্ৰমণৰ পৰিচয় দাঙি ধৰক।

---